এন আৰ চি আৰু নাগৰিক সমাজ

পৰিয়ালে দাখিল কৰা নথি-পত্ৰৰ গড় সংখ্যাৰ আনুমানিক হিচাপ মতে প্ৰায় ৫ কোটি নথি-পত্ৰৰ পৰীক্ষণ সম্পন্ন কৰিব লাগিব। আৱেদন প্ৰ-পত্ৰৰ লগত নথি-পত্ৰ গাঁঠি দিবলৈ অসমত থকা বহু লোকে ক্ষেত্ৰ পৰীক্ষণৰ সময়ত অতিৰিক্ত কিছু নথি-পত্ৰ দিব। সেইবোৰো পৰীক্ষা কৰিব লাগিব। নথি-পত্ৰৰ সংখ্যাটো যে বৃহৎ, তাক দোহৰাৰ প্ৰয়োজন নাই। নথি-পত্ৰৰ উপৰি আৱেদনকাৰী পৰিয়ালৰ সদস্যসকলৰ পৰিচয়ো নিশ্চিত কৰিব লাগিব। পৰীক্ষণো দুটা পৰ্যায়ত হ'ব— কাৰ্যালয় পৰ্যায়ত আৰু ক্ষেত্ৰ পৰ্যায়ত। অৰ্হতা প্ৰমাণৰ বাবে আৰু সম্পৰ্ক স্থাপনৰ বাবে দাখিল কৰা দুয়োবিধ নথিৰ ক্ষেত্ৰতে পৰীক্ষণৰ ব্যৱস্থা কৰিব লাগিব। অৰ্হতা প্ৰমাণৰ বাবে দিয়া নথি অনুমোদিত তালিকাভুক্ত হয় নে নহয়, আপাতদৃষ্টিত বৈধ হয় নে নহয়, ১৯৭১ চনৰ ২৪ মাৰ্চৰ আগৰ হয় নে নহয় চাব লাগিব। অৰ্হতাসূচক নথিত নাম থকা ব্যক্তিৰ লগত দাবী কৰা সম্পৰ্ক প্ৰমাণৰ বাবে দিয়া নথিবোৰ বিধিগত হয় নে নহয়, সেইবোৰ প্ৰদান কৰা কৰ্তৃপক্ষৰ লগত থকা মূল নথিৰ সৈতে ৰিজাই চাব পৰা হয় নে নহয়, নথিত যাৰ লগত সম্পৰ্কৰ দাবী কৰা হৈছে আৰু যিজনে এনে দাবী কৰিছে, সেই দুয়োজন ব্যক্তিৰ নাম একেলগে আছে নে নাই চাব লাগিব। নাম, উপাধি আদি সন্দৰ্ভত থকা শুধৰণিযোগ্য সৰু-সুৰা ভুল-ভ্ৰান্তিবোৰৰো সংশোধনী সম্পন্ন কৰিব লাগিব, যাতে প্ৰস্তুতকৃত এন আৰ চি নথিৰ তথ্যসমূহৰ গুণগত মান উৎকৃষ্ট মানৰ হয়।

কিছুমান নথি নাগৰিক পঞ্জীয়নৰ চক্ৰ পঞ্জীয়ক অৰ্থাৎ ৰাজহ চক্ৰ বিষয়াৰ অধীনৰ এলেকাৰ কৰ্তৃপক্ষ, যেনে— চক্ৰ বিষয়া, খণ্ড উন্নয়ন বিষয়া, গাঁও পঞ্চায়তৰ সচিব, গাঁওবুঢ়া আদিৰ দ্বাৰা প্ৰদান কৰা হ'ব। একোটা চক্ৰৰ অধীনত থকা সকলো নাগৰিক পঞ্জীয়নৰ স্থানীয় পঞ্জীয়কে এনেবোৰ নথি স্থলতে পৰীক্ষা কৰিব পাৰিব। কিছুমান নথি একেখন জিলাৰে আন কোনো চক্ৰৰ অধীনৰ কৰ্তৃপক্ষৰদ্বাৰা প্ৰদান কৰা হ'ব। কিছুমান হ'ব একেখন জিলাৰে মহকুমা বা জিলা সদৰৰ কৰ্তৃপক্ষৰ দ্বাৰা প্ৰদান কৰা। আন কিছুমান হ'ব বেলেগ জিলাৰ অন্তৰ্ভুক্ত চক্ৰ-কৰ্তৃপক্ষ নাইবা বেলেগ জিলাৰ মহকুমা বা জিলা সদৰৰ কৰ্তৃপক্ষৰ দ্বাৰা প্ৰদান কৰা। কিছুমান নথি বেলেগ বেলেগ ৰাজ্যৰ বিভিন্ন কৰ্তৃপক্ষৰ দ্বাৰা প্ৰদান কৰা হ'ব। ইয়াৰ উপৰি ৰাজ্যিক চৰকাৰৰ বিভিন্ন বিভাগ, কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন বিভাগ, যেনে— আয়কৰ, পাছপ'ৰ্ট, নিৰ্বাচন, ডাকঘৰ, বিভিন্ন বেংক, জীৱন বীমা, ব'ৰ্ড-বিশ্ববিদ্যালয়, অন্যান্য শিক্ষানুষ্ঠান আদিৰ দ্বাৰা প্ৰদান কৰা হ'ব। ইমানবোৰ ভিন্ন কৰ্তৃপক্ষৰ লগত থকা মূল নথিৰ লগত মিলাই প্ৰত্যেকটো নথিৰ সত্যাসত্যতা নিৰূপণ কৰিব লাগিব। উচ্চতম ন্যায়ালয়ৰ হুকুম মতে ২০১৬ চনৰ ১ মাৰ্চত চূড়ান্ত নাগৰিকপঞ্জী প্ৰকাশ পাব লাগিব। তাৰ আগতে স্থানীয়ভাৱে, চক্ৰ পৰ্যায়ত আৰু আন্তঃচক্ৰ পৰ্যায়ত, জিলা পৰ্যায়ত আৰু আন্তঃজিলা পৰ্যায়ত, ৰাজ্যিক আৰু আন্তঃৰাজ্যিক পৰ্যায়ত নথি-পত্ৰ পৰীক্ষণৰ কাম সম্পন্ন কৰিব লাগিব। তাৰ পিছতে খচৰা নাগৰিকপঞ্জী প্ৰকাশৰ বিধিগত প্ৰক্ৰিয়াও শেষ কৰিব লাগিব। সময় একেবাৰে সীমিত। কাম অতিশয় বৃহৎ।

আমাৰ বোধেৰে ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী প্ৰস্তুতকৰণৰ অভিপ্ৰেত উদ্দেশ্য সাফল্যমণ্ডিত কৰাৰ বাবে ক্ষেত্ৰ পৰ্যায়ৰ বিষয়া-কৰ্মচাৰী সমন্বিতে প্ৰকল্পটোৰ লগত জড়িত প্ৰত্যেকজন ব্যক্তি সচেষ্ট আৰু সমৰ্পিত। ৰাজ্যখনৰ সকলো স্তৰৰ লোকৰ আশা আৰু অনুভূতিৰ প্ৰতিও এইসকল সৈনিক সংবেদনশীল। ৰাজ্যখনক অকৃত্ৰিমভাৱে ভাল পোৱা একো একোজন দায়িত্বশীল নাগৰিকৰূপে, ৰাজ্য আৰু ৰাজ্যবাসীৰ সামূহিক স্বাৰ্থ সুৰক্ষিত কৰিবলৈ তেখেতসকলে ন্যস্ত দায়িত্ব পালনত অলপো ত্ৰুটি কৰা নাই। পৰীক্ষা-নিৰীক্ষা কৰিবলগীয়া নথিবোৰৰ ভিতৰত সন্দেহজনক নাগৰিকত্বৰ লোকে দাখিল কৰা জাল বা ভুৱা নথি-পত্ৰ থকাৰ বিষয়ে আৰু প্ৰকল্পটোৰ ৰূপায়ণ উচ্চতম ন্যায়ালয়ে তত্ত্বাৱধান কৰি থকাৰ বিষয়েও তেখেতসকল অৱগত। এই পৰিপ্ৰেক্ষিতত পালন কৰিবলগীয়া দায়িত্বৰ গুৰুত্ব সম্পৰ্কেও তেখেতসকল সজাগ।

সৌভাগ্য আৰু সন্তুষ্টিৰ কথা হ'ল এয়ে যে ৰাজ্যখনে এন আৰ চি উন্নীতকৰণ প্ৰকল্পৰ দায়িত্ববাহী বিষয়া-কৰ্মচাৰীসকলক অসীম প্ৰত্যয় আৰু সুগভীৰ আত্মবিশ্বাসেৰে সন্মুখৰ পৰা সবল আৰু সুনিপুণ নেতৃত্ব প্ৰদান কৰা এজন অতি দক্ষ আৰু নিষ্ঠাৱান ৰাজ্যিক সমন্বয়ক পাইছে। দিনে-নিশাই কেৱল কাম কৰা এন আৰ চিৰ তীক্ষ্ণধী ৰাজ্যিক সমন্বয়কজন অফুৰন্ত কৰ্মশক্তিৰ, প্ৰশাসনীয় তথা তথ্য-প্ৰযুক্তিৰ প্ৰগাঢ় জ্ঞানৰ আৰু দলীয় নেতৃত্ব প্ৰদানৰ ক্ষেত্ৰত ঈৰ্ষণীয় গুণৰ অধিকাৰী ব্যক্তি। তেখেতৰ সবল নেতৃত্বত বিষয়া-কৰ্মচাৰী আৰু প্ৰকল্প ৰূপায়ণৰ সহযোগী বাহিৰা সংস্থাৰ লোকসকলেও নিজৰ সকলো শক্তি-সামৰ্থ্য উজাৰি দিবলৈ প্ৰস্তুত।

যিকোনো এখন যুদ্ধত জয়ী হ'বলৈ হ'লে যুদ্ধ কৰোঁতা সৈনিকসকলে একাণপতীয়াকৈ স্বাচ্ছন্দ্যৰে যুদ্ধত অৱতীৰ্ণ হোৱাৰ পৰিৱেশ লাগে। এন আৰ চি আৱেদন-পত্ৰ/নথি-পত্ৰ পৰীক্ষণৰ কামত নিয়োজিত বিষয়া-কৰ্মচাৰীসকলকো কামটো একাণপতীয়াকৈ আৰু একাগ্ৰভাৱে কৰিবলৈ সংশ্লিষ্ট সকলো মহলে সুযোগ দিব লাগিব। ৰাজ্যিক সমন্বয়কে প্ৰকল্পটোৰ সামগ্ৰিক ৰূপায়ণৰ বাবে আৱশ্যকীয় সমন্বয় সুচাৰুৰূপে কাৰ্যকৰী কৰিছে। প্ৰয়োজনীয় মানৱ সম্পদ আংশিকভাৱে ৰাজ্য চৰকাৰে যোগান ধৰিছে। ঠিকা ভিত্তিত লোৱা একাংশ লোকৰ সেৱাও নিয়োজিত হৈছে। নথি পৰীক্ষণৰ কামবোৰ আইনগত প্ৰক্ৰিয়াৰে সম্পাদন কৰিবলগীয়া। সেইবাবে এইবোৰ কামৰ দায়িত্ব কেৱল ৰাজ্য চৰকাৰৰ বিষয়া-কৰ্মচাৰীয়েহে সম্পাদন কৰিব লাগিব। এইমৰ্মে গোটেই প্ৰক্ৰিয়াটোত গুৰুত্বপূৰ্ণ সেৱা আগবঢ়াব লাগিব নাগৰিকপঞ্জী সেৱা কেন্দ্ৰসমূহত নাগৰিক পঞ্জীয়নৰ স্থানীয় পঞ্জীয়ক হিচাপে নিয়োজিত বিষয়াসকলে, সংশ্লিষ্ট চক্ৰ

ৰাহৰেও উত্তৰ-পূবাঞ্চলৰ বিভিন্ন প্ৰজাতিৰ আকৰ্ড ধান, বেত, বাহ আদিৰ সঁচ সংৰক্ষণ কৰি নিৰ্মাণ কৰা কাজিৰঙা জাতীয় অৰ্কিড আৰু জৈৱ-বৈচিত্ৰ্য উদ্যানখন সাংবাদিক বৰগোহাঞিয়ে আনুষ্ঠানিকভাৱে দৰ্শনাৰ্থীৰ বাবে মুকলি কৰি কয়— কৃষক নেতা অখিল গগৈৰ নেতৃত্বত কৃষক মুক্তি সংগ্ৰাম সমিতিয়ে এই উদ্যানখন গঢ় দি অসমীয়াৰ মাজত চিৰযুগমীয়া হৈ থাকিব। কৃষক নেতা অখিল গগৈয়ে আঁত ধৰা উদ্যান মুকলি অনুষ্ঠানত বৰগোহাঞিয়ে আৰু জানিবলৈ দিয়া মতে কৃষক মুক্তি সংগ্ৰাম সমিতিৰ আন্দোলনে ৰাজ্যখনৰ কৃষকক বিশেষ ধৰণে জাগ্ৰত কৰিবলৈ সক্ষম হৈছে। দেশ স্বাধীনতাৰ পূৰ্বে ইংৰাজে অৰণ্য সংৰক্ষণ কৰিছিল যদিও স্বাধীনতাৰ পিছৰ পৰা অৰণ্য তিল্‌তিল্‌কৈ ধ্বংস হ'ব ধৰিছে বুলি সাংবাদিক বৰগোহাঞিয়ে ভাষণত উল্লেখ কৰে। প্ৰকৃতি মানৱ যাদৱ পায়েং, বনৌষধি বিশেষজ্ঞ গুণাৰাম খনিকৰ, বিজ্ঞানী উদ্ধৱ ভৰালী, প্ৰকৃতি সংৰক্ষক ড° প্ৰবীণ শইকীয়া, প্ৰাক্তন অধ্যক্ষ উদয়াদিত্য ভৰালী, ৰাজু বৰুৱা আদিৰ উপস্থিতিত উদ্যানৰ মুকলি সভাত 'আমাৰ অসম' কাকতৰ প্ৰাক্তন সম্পাদক হোমেন বৰগোহাঞিয়ে কয় যে কৃষক মুক্তি সংগ্ৰাম সমিতিৰ আন্দোলনৰ বাবে বৰ্তমান ৰাজ্যখনত ধনীয়ে দুখীয়াক সমীহ কৰিবলৈ লৈছে। উল্লেখ্য, কাজিৰঙাৰ এই উদ্যানখনত থকা গ্ৰীন হাউছত অসমত পোৱা ৪০২ বিধ অৰ্কিডৰ লগতে উত্তৰ-পূৰ্বাঞ্চলত পোৱা ৮৫০ বিধ অৰ্কিড সংৰক্ষণ কৰা হৈছে। ইয়াৰ উপৰি ভাৰতত প্ৰথমবাৰৰ বাবে ১৩২ বিধ টেঙা, ১২ বিধ বেত, ৪৬ বিধ বাঁহ, দুটা প্ৰাকৃতিক জলাশয়ত অসমৰ বিলুপ্তপ্ৰায় সকলো প্ৰজাতিৰ মাছ সংৰক্ষণ কৰা হৈছে। আজি উদ্যান মুকলি অনুষ্ঠানত ৰাজ্যখনৰ বিভিন্ন প্ৰান্তৰ পৰা অগণন লোকৰ আগমন পৰিলক্ষিত হৈছে। ছাত্ৰ-ছাত্ৰীসকলৰ বাবে এই উদ্যানখন শিক্ষাৰ ভঁৰাল হিচাপে পৰিগণিত হৈ পৰিছে। কাজিৰঙাৰ জাতীয় অৰ্কিড উদ্যানখনত থকা ফটো হাউছত ৰাজ্য তথা ৰাজ্যৰ বাহিৰৰ প্ৰায় ৩৫০ বিধ ফুল আৰু অৰ্কিডৰ চিত্ৰ সংৰক্ষণ কৰি থোৱা হৈছে। আজিৰ সভাত নিজৰ একক প্ৰচেষ্টাৰে বনৌষধিৰ সজাগতা ৰাইজৰ মাজত চলাই থকা কুন্তি বৰাই বনৌষধিৰ গীত পৰিৱেশন কৰি সৌষ্ঠৱ বৃদ্ধি কৰে। কৃষক মুক্তি সংগ্ৰাম সমিতিৰ এই প্ৰচেষ্টাক আজিৰ সভাত থকা সকলো লোকে প্ৰশংসা কৰাৰ লগতে সহযোগ আগবঢ়াবলৈ আগ্ৰহ প্ৰকাশ কৰাত কৃষক মুক্তিৰ হৈ ৰাজু বৰুৱাই ধন্যবাদ জনায়। আনহাতে, বিজ্ঞানী উদ্ধৱ ভৰালীয়ে নিজে আগবাঢ়ি অহাত এই বিজ্ঞানীজনৰ সহযোগিতাত কাজিৰঙাৰ পৰাই ভৱিষ্যতে সমগ্ৰ পৃথিৱীতেই শিশু খাদ্য যোগান ধৰাৰ আঁচনি লৈছে বুলি অখিল গগৈয়ে জানিবলৈ দিয়ে। আজিৰ প্ৰথম দিনা দেশীয় পৰ্যটকৰ লগতে কেইবাগৰাকী জাপানী পৰ্যটকে কাজিৰঙাৰ জাতীয় অৰ্কিড উদ্যানখন ভ্ৰমণ কৰি একেখন উদ্যানতেই বিভিন্ন প্ৰজাতিৰ উদ্ভিদ, অৰ্কিড, ধান আদি প্ৰত্যক্ষ কৰি আনন্দ প্ৰকাশ কৰিছে। এতিয়াৰ পৰা কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান দৰ্শন কৰিবলৈ অহা দেশ-বিদেশৰ পৰ্যটকে উক্ত উদ্যানখন ভ্ৰমণ কৰাৰ লগতে অসমীয়াৰ বিভিন্ন ধৰণৰ পিঠা, জলপান আদি গ্ৰহণ কৰে। এই উদ্যানখনৰ যোগেদি বহু নিবনুৱা যুৱক-যুৱতীয়ে কৰ্মসংস্থাপন লাভ কৰাৰো থল আছে বুলি কৃষক নেতা অখিল গগৈয়ে জানিবলৈ দিয়ে। কাজিৰঙা জাতীয় অৰ্কিড আৰু জৈৱ-বৈচিত্ৰ্য উদ্যানখন বৰ্তমান চৰকাৰী মাটিত আছে যদিও অতি সোনকালে ৰাজহ বিভাগে হস্তান্তৰ কৰিব বুলি কৃষক নেতাজনে জানিবলৈ দিয়াৰ লগতে কাইলৈৰ পৰা উদ্যানখন দৰ্শনাৰ্থীৰ বাবে মুকলি থাকিব বুলিও জানিবলৈ দিয়ে।